মহানগৰৰ এই জন-অৰণ্যৰ মাজত মানুহজনে কেনেকৈ জানো আমাৰ ভাৰাঘৰটো বিচাৰি উলিয়ালে!

অফিছৰপৰা আহি ঘৰ সোমাইছিলোঁ মাথোঁ।

"বোপা চিনি পাইছা নে?"—ড্ৰয়িং ৰুমৰ ছোফাত বহি থকা মানুহজনে দুৱাৰমুখতে মোৰ মুখলৈ চাই হাঁহি মাৰি সুধিলে।

অসহায়ভাৱে মানুহজনৰ মুখৰফালে চালোঁ। মূৰত আধা পকা, অবিন্যস্ত চুলি। মুখভৰ্তি দাড়ি। অপৰিপাটি, মলিয়ন পোছাক।

দ্ৰুতগতিত চিনাকি, আত্মীয়-স্বজনৰ মুখবোৰ মনত পেলাবলৈ চেষ্টা কৰিলোঁ। নাই, মনত নপৰিল।

"মই মনোহৰ মামা। তোমাৰ যশোদা মামীৰ দূৰ সম্পৰ্কীয় ভায়েক। লেংটিচিঙাৰ। ইয়াত লাল গণেশত থাকোঁ।" —মানুহজনে মোৰ অসহায় মুখখনৰ ফালে চাই পুনৰ হাঁহি মাৰি ক'লে। হাঁহিলে মানুহজনক অদ্ভুত দেখি। ওপৰৰ পাৰিৰ সন্মুখৰ দাঁত দুটা নাই।

মই হাঁহিবলৈ চেষ্টা কৰি ক'লোঁ—"অ' হয় নেকি? আপুনি অকণমান বহক দেই মামা। মই কপোৰযোৰ সলাই লওঁ।"

মানুহজনক বহিবলৈ কৈ মই ভিতৰৰ কোঠালৈ সোমাই আহিলোঁ। পিছে পিছে শ্ৰীমতী সোমাই আহিল। শ্ৰীমতীয়ে মোলৈ প্ৰশ্নবোধক দৃষ্টিৰে চালে। কি ক'ম? নিজেই চিনি পোৱা নাই। যশোদা মামীহঁতৰ লগত আমাৰ বহুবছৰ যোগাযোগ নাই। মামা কেতিয়াবাই ঢুকাল। সৰুটো ল'ৰা ভাইটিৰ বিয়াতো আমাক নামাতিলে!

মুখ-হাত ধুই আহি মানুহজনৰ ওচৰত সহজভাৱে বহিলোঁ। শ্ৰীমতীক মাতি আনি চিনাকি কৰি দিলোঁ—"এখেত মনোহৰ মামা। লেংটিচিঙাৰ।"

"মই চিনাকি হৈছোঁ দিয়া। তোমালৈয়ে বাট চাই আছিল।"—শ্ৰীমতীয়ে হাঁহি মাৰি ক'লে।

"কওকচোন মামা কি সকামত বা আহিল?" —মই পৰিৱেশটো সহজ কৰিবলৈ সুধিলোঁ।

"নাই, এনেয়ে আহিলোঁ। বাইদেৱে কৈছিল তোমালোক হেনো ইয়াতে আছা। সেয়েহে ভাবিলোঁ, তোমালোকক এবাৰ দেখা কৰি যাওঁ। মই ইয়াত অকলে থাকোঁ। মামীয়েৰা আৰু ছোৱালী দুজনী গাঁৱৰ ঘৰত থাকে। তোমালোক আছা যেতিয়া আহি থাকিম মাজে মাজে, নে কি কোৱা?"—মানুহজনৰ মুখত সেই অদ্ভুত হাঁহিটো পুনৰ বিৰিঙি উঠিল।

"নিশ্চয় মামা, আহি থাকিব। আমাৰো ভাল লাগিব।" —মই শ্ৰীমতীৰ মুখৰ ফালে চালোঁ।

"অ' মামা আহি থাকিব।" শ্ৰীমতীয়েও হয়ভৰ দিলে।

মামাই মূৰ দুপিয়াই ক'লে—"আহিম, আহিম, অচিনাকি চহৰত নিজৰ মানুহৰ ওচৰলৈ নাহি কাৰ ওচৰলৈ যাম?"

তাৰ পাছত সময়ে-অসময়ে মানুহজন আমাৰ ঘৰলৈ আহি থকা কৰিলে। দেওবাৰ, সোমবাৰ বুলি কথা নাই। সময়ৰ বাছ-বিচাৰ নাই। ৰাতিপুৱা, দুপৰীয়া কিম্বা আবেলি, যেতিয়াই মন যায় তেতিয়াই তেওঁ আহি আমাৰ ঘৰত উপস্থিত হয়হি। কেতিয়াবা মই অফিছত থাকোঁতে ভৰদুপৰীয়াও তেওঁ আহি ওলায়। শ্ৰীমতীয়ে ফোন কৰি জনায়—"মামা আহিছে। উঠাৰ লক্ষণ দেখা নাই। বোধহয় ভাত খাই যোৱাৰ মতলব। মই কি কৰোঁ, ঘৰত একো এটা নাই।"

"ঠিক আছে। এটা কাম কৰা, কণী আছে নহয়, অমলেট কৰি দিয়া। ৰাতিপুৱাৰ দাইল-ভাজিতো আছেই।"

"হ'ব দিয়া।" —লাইনটো কাটি দিয়ে শ্ৰীমতীয়ে। কথা কোৱাৰ ধৰণটোৰপৰা মোৰ বুজিবলৈ বাকী নাথাকে যে শ্ৰীমতীৰ খং উঠিছে। দুপৰীয়াৰ অকণমান সময় তেওঁ ৰেষ্ট লয়। টিভি চায়। নাৰীকেন্দ্ৰিক কিবা এখন ছিৰিয়েল থাকে কোনোবা এটা চেনেলত। সেইখন চাই ভাল পায় তেওঁ। কেতিয়াবা ভাতঘুমটি এটা মাৰে। কিন্তু মামা থাকিলেতো ভিতৰৰ কোঠাত সোমাই থাকিব লাগিব। হাজাৰ হ'লেও সম্পৰ্কত মামাশহুৰ।

অফিছৰপৰা উভতি আহি দেখোঁ—মামা মলিয়ন গেঞ্জি এটা আৰু গামোচা পিন্ধি ডিভানত পেট পেলাই টিভি চাই আছে।

"আহিলা?"

"হয় মামা। আপুনি কেতিয়া আহিল?" ভদ্ৰতাৰ খাতিৰত কথাষাৰ সুধিলোঁ।

"দেৰি হ'ল। বোৱাৰীয়ে ভাত-পানী খুৱালে ...।" তাৰ পাছত অভিভাৱকৰ কৰ্তৃত্বৰ সুৰত কৈ উঠিল—"যোৱা যোৱা—মুখ-হাতখিনি ধুই লৈ কিবা অকমান খাই লোৱা। ভাগৰে-জুগৰে আহিছা, পিছে পৰেও কথা পাতিম।"

সঘনে আহি থকা মানুহজনৰ সৈতে পাতিবলগীয়া মোৰনো কি কথা থাকিব পাৰে? তদুপৰি অফিছ ছুটীৰ পাছত ঘৰলৈ উভতি আহি কাৰোবাৰ সৈতে কথা পতাৰ মোৰ বিশেষ আগ্ৰহ নাথাকে।

অসম চৰকাৰৰ এগৰাকী সাধাৰণ কৰ্মচাৰী মই। দিনৰ দিনটো অফিছৰ ফাইলৰ মাজত ডুবি থাকোঁ। তিনিজন বিষয়াৰ ওচৰলৈ বিভিন্ন বিষয়ৰ ফাইল লৈ মই দৌৰি থাকিব লাগে। তাৰ বাবে দিনটো কমেও পঞ্চাছবাৰমান ছিৰি বগাই তলৰ মহলা, ওপৰ মহলা কৰি থাকিব লাগে। প্ৰস্তুত কৰিব লাগে ষ্টেটাছ ৰিপৰ্ট, লিখি উলিয়াব লগা হয় দিছপুৰলৈ পঠাব লগা বিভিন্ন চিঠিৰ খচৰা। সেইবোৰ আকৌ কম্পিউটাৰত টাইপ কৰিব লাগে। স্কেন কৰি পঠাব লাগে ই-মেইল। অন্য দহজন কৰ্মচাৰীৰ দৰে গছিপ কৰা, ফেছবুক-ৱাটছএপ চাই সময় কটোৱাৰ সুবিধা মোৰ নাই। কিবাকৈ এদিন আকস্মিক ছুটী ল'লেই অফিছৰপৰা অবিৰতভাৱে ফোন আহি থাকে। মই নিজকে অফিছৰ এজন গুৰুত্বপূৰ্ণ কৰ্মচাৰী বুলি নাভাবোঁ যদিও এটা কথা অস্বীকাৰ কৰাৰ কোনো উপায় নাই যে বছৰৰ পাছত বছৰ খালী হৈ থকা পদসমূহত নতুন কৰ্মচাৰী নিযুক্তি নিদিয়া বাবে মোৰ কামৰ বোজা দিনক দিনে বাঢ়ি গৈ আছে।

অফিছ ছুটীৰ পাছত মোৰ আৰু ধৈৰ্য নাথাকে। কেতিয়া ঘৰ পাওঁ, কেতিয়া ঘৰ পাওঁ লাগি থাকে। ঘৰলৈ উভতি অহাৰ পাছত মোৰ অকণমান সময় শুবলৈ মন যায়। টিভিটো খুলি এখন সস্তীয়া বিনোদনধৰ্মী ছিনেমা চাবলৈ মন যায়। বাতৰিকাকত, আলোচনীৰ পাত লুটিয়াবলৈ মন যায়। কম ভলিউমত শুনিবলৈ মন যায় পুৰণি জামানাৰ গান। কিন্তু ঘৰলৈ উভতি আহি দেখোঁ ভৰি তুলি ডিভানত মামা বিদ্যমান।

যিমানেই আপোন নহওক কিয়, অনাহূত আলহীৰ সঘন উপস্থিতিয়ে গৃহস্থক বিৰক্ত কৰি তোলাটোৱেই স্বাভাৱিক। মোৰ কথা বাদ দিলেও শ্ৰীমতীৰ কথা-বতৰাৰপৰা বুজিবলৈ বাকী নাথাকিল যে তেওঁ অত্যন্ত বিৰক্ত হৈছে। কেতিয়াবা ভৰদুপৰীয়া মামাই আলু ভাজি আৰু ৰুটি কৰিবলৈ ফৰমাইছ দিয়ে। নেমু চেপি দিয়া ফিকা চাহ। কেতিয়াবা গৰম পকৰি। এদিন শ্ৰীমতীয়ে জনালে যে মামাই হেনো মাজে মাজে গাড়ীভাৰা বাবদ তেওঁৰপৰা পইচা খোজে। কেইবাদিনো শ্ৰীমতীয়ে পঞ্চাছৰপৰা এশ টকা পৰ্যন্ত মামাৰ হাতত তুলি দিছে।

মই বুজি উঠিলোঁ কথাবোৰ এতিয়া সহজ হৈ থকা নাই। মামাৰ অনাহূত আগমনৰ বাবে আমি বহুদিন ক'লৈকো ওলাই যাব পৰা নাই। বন্ধৰ দিনত কেতিয়াবা আমি পৰিকল্পনা কৰোঁ—আজি কোনোবা এটা হলত মেটিনি শ্ব' ছিনেমা চাম। আবেলি ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে খোজ কাঢ়িম। অলপ বজাৰ কৰিম। ৰাতিৰ আহাৰ হোটেলত খাই আহি শুই

# আগন্তুক

**প্ৰাঞ্জল অনুভৱী**